আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, FEBRUARY 18, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫২ Guwahati, Assam ।। মূল্যঃ এটকা

## চৰকাৰী সংৰক্ষিত ভূমি দখলৰ অভিসন্ধিৰে জনজাতীয় লোকক আক্ৰমণ

# কাৰ্বি আংলঙত এতিয়া চলিছে হিন্দীভাষীৰ দপদপনি!

**ই-সংবাদ, ডিফু, ১৮ ফেব্ৰুৱাৰীঃ** চুবুৰীয়া দেশৰ পৰা হোৱা প্ৰব্ৰজনে অসমৰ সমাজ জীৱনক পংগু কৰাৰ সময়তে উত্তৰ ভাৰতৰ পৰা অসমলৈ হোৱা প্ৰব্ৰজনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অসমৰ বিভিন্ন প্ৰান্তত



ক্ৰমে শক্তিশালী ৰূপত সু-সংগঠিত হৈছে অনা-অসমীয়া। সময়ে সময়ে হিন্দীভাষীয়ে অসমৰ থলুৱা লোকক আক্ৰমণ পৰ্যন্ত কৰি আহিছে। বেহা-বেপাৰ, মজদুৰৰূপে কাম কৰিবলৈ অসমত আহি শেষাংশ ২ পৃষ্ঠাত

## মোদীৰ বচন

## পৰৱৰ্তী ১০০টা দিন গুৰুত্বপূৰ্ণ



**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰীঃ** দেশৰ ২৫ হাজাৰ কাৰ্য-কৰ্তাৰ উপস্থিতিত দিল্লীত শাসকীয় বিজেপিৰ ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে শাসকীয় বিজেপিৰ এই সন্মিলন বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে৷ কিয়নো বিজেপি দলে আগন্তুক শেষাংশ ৩ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰীৰ পদত্যাগ বিচাৰি ইজৰাইলত ৰাজপথলৈ হাজাৰ হাজাৰ লোক

**তেল আভিভ, ১৮ ফেব্ৰুৱাৰীঃ** ইজৰাইলৰ তেল আভিভ আৰু জেৰুজালেমৰ পৰিস্থিতি ক্ৰমে ভয়াৱহ হৈ পৰিছে। লক্ষ লক্ষ লোক ৰাজপথলৈ ওলাই অহাত পৰিস্থিতি অধিক জটিল হৈ পৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেট্যানিয়াহুৰে আগতীয়া নিৰ্বাচনৰ আহ্বানক প্ৰত্যাখ্যান কৰাত হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে তেল আভিভ আৰু জেৰুজালেমৰ ৰাজপথলৈ ওলাই আহি নেট্যানিয়াহুৰ পদত্যাগ দাবী কৰিছে। গাজা আক্ৰমণ আৰু যুদ্ধ অব্যাহত থকাত জনমত সমীক্ষাত নেট্যানিয়াহুৰ জনপ্ৰিয়তা শেষাংশ ৪ পৃষ্ঠাত




## বিজেপি দলক ‘অজগৰ সাপ’ আখ্যা ভূপেন বৰাৰ

**ই-সংবাদ, ১৮ ফেব্ৰুৱাৰীঃ** শাসকীয় বিজেপি দলক ‘অজগৰ সাপ’ আখ্যা দিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। আজি সাংবাদিকৰ মুখামুখি হোৱাৰ সময়ত ভূপেন বৰাক কমলাক্ষ দে’ পুৰকায়স্থ আৰু বসন্ত দাসৰ বিজেপি চৰকাৰক সমৰ্থন সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দি বৰাই কয় যে বিজেপিয়ে এতিয়া সকলো ভালে-বেয়াই গিলি শেষাংশ ৩ পৃষ্ঠাত

## আপ নীতি! পঞ্জাৱত শত্ৰু, দিল্লীত বন্ধু

**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনত পঞ্জাৱত আম আদমী পাৰ্টী আৰু কংগ্ৰেছে সুকীয়া সুকীয়াকৈ নিৰ্বাচনত শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰ্বি আংলঙত এতিয়া

গোজেই গজালি হৈ পৰিছে উত্তৰ ভাৰতৰ লোক৷ অসমৰ কেইবাটাও প্ৰান্তৰ দৰেই পাহাৰীয়া দুই জিলা কাৰ্বি আংলং আৰু উত্তৰ কাছাৰতো শক্তিশালী ৰূপত ঠন ধৰি উঠিছে উত্তৰ ভাৰতৰ লোক৷ ইয়াৰ প্ৰমাণ পোৱা গৈছে শেহতীয়াকৈ৷ কাৰ্বি আংলঙৰ থলিগিৰীৰ ওপৰত হোৱা আক্ৰমণত ইয়াৰ প্ৰমাণ পোৱা গৈছে৷ কাৰ্বি আংলঙত থলগিৰীৰ ছাত্ৰ কৰ্মীয়ে প্ৰতিবাদী মিছিল কৰি আহি থকাৰ সময়তে হিন্দীভাষীয়ে দলবদ্ধ আক্ৰমণ কৰাত কুৰিগৰাকীতকৈ অধিক ছাত্ৰ কৰ্মী আহত হৈছে৷ এই ঘটনাই উত্তপ্ত কৰি ৰাখিছে কাৰ্বি ভূমিক৷ এইখন অসমতে এতিয়া থলগিৰীয়ে নিজৰ অধিকাৰৰ বাবে প্ৰতিবাদ কৰিবলৈ ঘৰৰ পৰা ওলাব নোৱাৰা হৈ পৰাৰ কাৰ্যক কাৰ্বি ভূমিৰ নাগৰিকে সহজভাবে নলৈ চাৰিটা দিনে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰি আহিছে৷ উল্লেখ্য যে, ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কাৰ্বি যুৱ মহোৎসৱত অংশ লোৱাৰ উদ্দেশ্যে ১৭ জানুৱাৰীত কাৰ্বি আংলঙ ভ্ৰমণ কৰাৰ কথা আছিল৷ কিন্তু বতৰৰ বাবে মেঘালয়তে ভ্ৰমণ সামৰিব লগা হয় ৰাষ্ট্ৰপতি মুৰ্মুৱে৷ সেই সময়ত কাৰ্বি আলংঙৰ ভোজপুৰী ছাত্ৰ সন্থাই মেঘালয়ত ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিছিল৷ সাক্ষাতৰ সময়ত এখন স্মাৰকপত্ৰ প্ৰদান কৰি কাৰ্বি আংলঙৰ (পিজিআৰ-ভিজিআৰ) চৰকাৰী সংৰক্ষিত ভূমিৰ পট্টা হিন্দীভাষীক প্ৰদানৰ দাবী জনায়৷ এই কথা ৰাজহুৱা হোৱাৰ পাছতে দুই পাহাৰীয়া জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ কাৰ্বি ভূমিৰ আঞ্চলিক ৰাজনৈতিক দল এএছডিচিৰ ভাতৃ সংগঠন আৰু কাৰ্বি ছাত্ৰ সন্থাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে৷ কাৰ্বি আংলঙৰ পশ্চিম কাৰ্বি আংলং জিলাত পিজিআৰ-ভিজিআৰ ভূমিৰ অবৈধ দখল উচ্ছেদৰ দাবী জনাই এএছডিচিৰ ভাতৃ সংগঠন আৰু কাৰ্বি ছাত্ৰ সন্থাই৷ হিন্দীভাষী সংৰক্ষিত ভূমিৰ পট্টা প্ৰদান কৰিলে কাৰ্বি আংলং জ্বলি উঠিব বুলি হুংকাৰ দিয়ে দুয়োটা সংগঠনে৷ পশ্চিম কাৰ্বি আংলঙৰ খেৰণি আৰু ডংকামোকামত ১৫ ফেব্ৰুৱাৰীত শান্তিপূৰ্ণ প্ৰতিবাদ সাব্যস্ত কৰিছিল দুয়োটা সংগঠনে৷ খেৰণিত মিছিল উলিয়াই গৈ থকাৰ সময়ত মিছিলটোক নিশা দুৰ্বৃত্তই আক্ৰমণ কৰে৷ বৰ্বৰ আক্ৰমণত কেইবাগৰাকী কাৰ্বি ছাত্ৰ সন্থাৰ কৰ্মী গুৰুতৰভাৱে আহত হয়৷ উক্ত নিশাৰ পৰা উত্তপ্ত হৈ পৰে কাৰ্বি আংলং৷ উত্তৰ কাছাৰ পাৰ্বত্য জিলালৈ তীব্ৰ উত্তেজনা বিয়পি পৰে৷ ১৬ ফেব্ৰুৱাৰীৰ পুৱাৰে পৰা কাৰ্বি আংলং জিলা সদৰ ডিফু, খেৰণিৰ দোকান-পোহাৰ স্বতস্ফূৰ্তভাৱে বন্ধ হৈ পৰে৷ দুয়ো পাৰ্বত্য জিলাত তীব্ৰ প্ৰতিবাদ চলি থাকে৷ হিন্দী ভাষী লোকে ছাত্ৰ সংগঠনৰ লোকক আক্ৰমণ কৰাৰ অভিযোগ উঠে৷ পশ্চিম কাৰ্বি আংলং আৰক্ষীয়ে ইতিমধ্যে ২৫ জন লোকক গ্ৰেপ্তাৰ কৰিছে৷ ইপিনে এএছডিচি দলে স্পষ্ট কৰি দিয়ে যে পৰীক্ষাৰ সময়ত তেওঁলোকে কোনো বন্ধ ঘোষণা কৰা নাছিল৷ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী জৎছন বে'য়ে কয় যে বন্ধ আহ্বান কৰাৰ দাবী উত্থাপন হৈছিল যদিও পৰীক্ষাসমূহৰ বাবে জনতাক অসুবিধাত পেলাই বন্ধ আহ্বানৰ পৰা বিৰত থাকে৷ ঘটনাত জড়িত দোষীক উচিত শাস্তি প্ৰদানৰ লগতে সংৰক্ষিত অঞ্চল দখল কৰাসকলৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলিবই লাগিব বুলি হুংকাৰ দিয়ে৷ বিহাৰত উত্তৰ পূৰ্বাঞ্চলৰ লোকে গ্ৰেজিঙৰ মাটি ল'ব পাৰিব নেকি বুলিও প্ৰশ্ন উত্থাপন কৰে এএছডিচি দলে৷ আনহাতে, এএছডিচি দলৰ যুৱ কোষ আৰু কাৰ্বি ছাত্ৰ সন্থাই প্ৰতিবাদ অব্যাহত ৰাখিছিল যদিও কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে বৈঠকৰ বাবে আমন্ত্ৰণ কৰাত সাময়িকভাৱে প্ৰতিবাদ স্থগিত ৰাখে৷ ১৯ ফেব্ৰুৱাৰীত বৈঠক অনুষ্ঠিত হ'ব৷ ডিফুত এএছডিচিৰ কেন্দ্ৰীয় কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সৈতে আলোচনাৰ অন্তত ২০ ফেব্ৰুৱাৰীত কাৰ্বি আংলঙৰ সকলো দল-সংগঠন, সামাজিক সংগঠনৰ নেতৃত্বৰ মাজত আলোচনাত অনুষ্ঠিত হ'ব বুলি কয়৷ আলোচনা সফল নহ'লে আন্দোলন চলাই নিয়াৰ হুংকাৰ দিয়ে৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# আপ নীতি! পঞ্জাৱত শত্ৰু

অৱতীৰ্ণ হ'ব৷ দেশৰ বিশিষ্ট অধিবক্তা অভিষেক মনু সিংভিৰ ঘৰত অনুষ্ঠিত এক অনুষ্ঠানত অংশ লৈ এই কথা উল্লেখ কৰিছে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুখ্য সমন্বয়ক অৰিবন্দ কেজৰিৱালে৷ কংগ্ৰেছ নেতা অভিষেক মনু সিংভিৰ ঘৰৰ উপস্থিত হৈ আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালে কয় যে কংগ্ৰেছ আৰু আম আদমী পাৰ্টীয়ে পঞ্জাৱত পাৰস্পৰিক সন্মতিৰে পৃথকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। আমাৰ মাজত কোনো সংঘাত নাই। দিল্লীত কংগ্ৰেছৰ সৈতে মিত্ৰতাৰ ওপৰত আলোচনা চলি আছে। দিল্লীত মিত্ৰতা নহ'লে, বিজেপিৰ পথ সহজ হ'ব। আসন বিতৰণ সন্দৰ্ভত কংগ্ৰেছৰ সৈতে আলোচনা চলি আছে, দিল্লীত কংগ্ৰেছৰ সৈতে মিত্ৰতা হ'ব। আপ আৰু কংগ্ৰেছৰ মাজত হোৱা চুক্তিক বিজেপিয়ে তীব্ৰ সমালোচনা কৰিছে। দলৰ সভাপতি জে.পি নাড্ডাকে ধৰি বিজেপিৰ শীৰ্ষ নেতাসকলে মিত্ৰতাক সুবিধাবাদী বুলি অভিহিত কৰিছে। পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে পূৰ্বে ঘোষণা কৰি কৈছিল যে আপে কেৱল পঞ্জাৱৰ সকলো ১৩ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। পঞ্জাৱৰ এজন শীৰ্ষ কংগ্ৰেছ নেতা আৰু বিধানসভাৰ বিৰোধী দলৰ নেতা পাৰ্টাপ সিং বাজৱাইও মুখ্যমন্ত্ৰীক ধন্যবাদ জনাই কয় যে কংগ্ৰেছে ঠিক সেইটোৱেই বিচাৰে। পঞ্জাৱ আৰু অন্যান্য ৰাজ্যৰ মাজত যথেষ্ট পাৰ্থক্য আছে। কংগ্ৰেছ হৈছে পঞ্জাৱৰ মুখ্য বিৰোধী দল, এনে পৰিস্থিতিত যদি আমি নিৰ্বাচনত আম আদমী পাৰ্টিৰ সৈতে আপোচ কৰো, তেন্তে আমাৰ ভোটাৰসকল বিজেপিৰ ফালে যাব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি দলক অজগৰ

আছে৷ সময়ত সকলো ওকলিয়াই উলিয়াই দিব লাগিব৷ বিজেপি এটা অজগৰ সাপ। অজগৰে যেনেকৈ গোটে গোটে বস্তু গিলি দিয়ে, ঠিক তেনেদৰে বিজেপিয়ে সকলো গিলি পেলাইছে। উল্লেখ্য যে, শেহতীয়াকৈ দেশৰ বিভিন্ন ৰাজ্যৰ লগতে অসমৰ কেইবাগৰাকী নেতাই বিজেপি গমন কৰিছে৷ তাৰ মাজতে দুই বিধায়ক বিজেপি চৰকাৰক সমৰ্থন কৰাৰ ঘোষণা কৰে৷ এনে পৰিস্থিতিত বিজেপিক ৰুধিবলৈ ব্যাপক প্ৰয়াস কৰিব গৈ বাৰে বাৰে পিছ হুহুকি আহিবলগীয়া হৈছে কংগ্ৰেছ৷



উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত ভাৰত জোড়ো ন্যায় যাত্ৰাত ৰাহুল গান্ধী, দেওবাৰে

প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰৱৰ্তী ১০০টা দিন গুৰুত্বপূৰ্ণ

চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'লে প্ৰধানমন্ত্ৰী সলনি হ'ব নে নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হৈ থাকিব সেই কথাৰ ইংগিত পোৱা গৈছে৷ পুনৰ তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'লে বিজেপিৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হ'ব সেই কথা স্পষ্ট হৈ পৰিল৷ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে.পি নাড্ডা, অমিত শ্বাহ, ৰাজনাথ সিঙৰ পৰা আৰম্ভ কৰি সকলো নেতাই নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ'ব বুলি দাবী কৰিছে৷ ইয়াৰ দ্বাৰা এটা কথাই স্পষ্ট যে বিজেপি দলত বৰ্তমান প্ৰধানমন্ত্ৰী পদৰ প্ৰতিযোগিতাত আন কোনো প্ৰতিদ্বন্দ্বি নাই৷ ইপিনে এই সন্মিলনত বিজেপিয়ে 'বিকশিত ভাৰত', পৰিয়ালবাদ শেষ কৰাৰ সিদ্ধান্ত লয়৷ বিজেপিৰ মুখ্য চেহেৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুনৰ ভাষণ প্ৰদান কৰি গ্ৰীষ্মকালত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনত বিজেপি পুনৰ ক্ষমতালৈ আহিব বুলি দাবী কৰে। আন দেশবোৰেও 'মোদী আহিব' বুলি জানে বুলি কৈ মোদীয়ে কয় যে কংগ্ৰেছে দেশৰ সশস্ত্ৰ বাহিনীৰ মনোবল ভাঙিবলৈ কুণ্ঠাবোধ কৰা নাছিল বুলি অভিযোগ আনে৷ মোদীয়ে কয় যে নিৰ্বাচন এতিয়াও অনুষ্ঠিত হোৱা নাই, কিন্তু মোক ইতিমধ্যেই জুলাই, আগষ্ট আৰু ছেপ্টেম্বৰত বহু দেশৰ পৰা আমন্ত্ৰণ আহিছে। ইয়াৰ অৰ্থ কি? ইয়াৰ অৰ্থ হৈছে বিশ্বৰ বিভিন্ন দেশে বিজেপি চৰকাৰৰ উভতি আহিব বুলি বিশ্বাসী। তেখেতসকলে জানে যে মোদীয়েই আহিব। তেওঁ কয় 'ক্ষমতা উপভোগ কৰিবলৈ নহয়, কিন্তু দেশৰ বাবে কাম কৰিবলৈ তৃতীয় কাৰ্যকাল বিচাৰিছো। যদি মই মোৰ নিজৰ ঘৰৰ কথা ভাবিলোহেঁতেন, তেন্তে কোটি কোটি লোকৰ বাবে ঘৰ নিৰ্মাণ কৰাটো সম্ভৱ নহ'লহেঁতেন।' ভাৰত মণ্ডপমত সমবেত হোৱা বিজেপি নেতা আৰু কৰ্মীসকলক উদ্দেশ্যে মোদীয়ে কয় যে পৰৱৰ্তী ১০০ দিন অতি গুৰুত্বপূৰ্ণ। পৰৱৰ্তী ১০০ দিনত, আপুনি প্ৰতিজন নতুন ভোটাৰ, প্ৰতিজন হিতাধিকাৰী, প্ৰতিটো শ্ৰেণী, প্ৰতিটো সম্প্ৰদায় আৰু প্ৰতিটো ধৰ্মৰ প্ৰতিজন ব্যক্তিৰ সৈতে সংযোগ স্থাপন কৰিব লাগিব। আমি সকলোৰে বিশ্বাস অৰ্জন কৰিব লাগিব। ১০ বছৰীয়া কাৰ্যকাল সন্দৰ্ভত মোদীয়ে কয় যে যোৱা ১০ বছৰত ভাৰতে লক্ষ্য প্ৰাপ্ত কৰাৰ বাবে অভূতপূৰ্ব গতি আৰু সাহস অৰ্জন কৰিছে। ভাৰতে আজি প্ৰতিটো ক্ষেত্ৰতে নতুন উচ্চতাত উপনীত হৈছে৷ প্ৰতিজন নাগৰিকক দৃঢ়তাৰ অনুভূতিৰে সংযুক্ত কৰিছে আৰু উন্নত ভাৰত সংকল্প হৈছে। আমি ভাৰতৰ বিকাশ কৰিব লাগিব আৰু পৰৱৰ্তী ৫ বছৰ অতি গুৰুত্বপূৰ্ণ হ'ব। পৰৱৰ্তী ৫ বছৰত, ভাৰতে এতিয়াৰ তুলনাত দ্ৰুত গতিত কাম কৰিব লাগিব। প্ৰধানমন্ত্ৰী মোদীয়ে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ সংসদত 'আব কি বাৰ, ৪০০ পাৰ' বুলি কোৱা বিষয়টো উল্লেখ কৰি কয় যে আজি বিৰোধী দলৰ নেতাসকলে এনডিএ চৰকাৰৰ শ্ল'গান দিছে৷ ৪০০ অতিক্ৰম কৰিবলৈ বিজেপিয়ে ৩৭০ৰ মাইলৰ খুঁটি অতিক্ৰম কৰিব লাগিব। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়ত কংগ্ৰেছক সমালোচনা কৰি ২০১৯ চনৰ নিৰ্বাচনত, বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটে ৩৫০ খনতকৈও অধিক আসন লাভ কৰিছিল। কংগ্ৰেছৰ আটাইতকৈ ডাঙৰ পাপ হ'ল যে দেশৰ সশস্ত্ৰ বাহিনীৰ মনোবল ভাঙিবলৈ কুণ্ঠাবোধ কৰা নাছিল। কংগ্ৰেছে ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সামৰিক শক্তিৰ ক্ষতি কৰিবলৈ কোনো ধৰণৰ ৰাস্তা এৰা নাছিল৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰ পদত্যাগ বিচাৰি

হ্ৰাস পাইছে৷ অক্টোবৰ মাহৰ পাছৰে পৰা প্ৰাৰম্ভিক নিৰ্বাচনৰ পৰিৱেশ গঢ়ি উঠাৰ সময়তে ফিলিস্তিনি গোট হামাছে ইজৰাইলী ভূখণ্ডত আক্ৰমণ চলাইছিল৷ প্ৰায় ১,১০০ জন লোক নিহত হৈছিল আৰু ২০০ তকৈও অধিক লোকক বন্দী কৰিছিল৷ ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে ইজৰাইলী সামৰিক বাহিনীয়ে গাজা ষ্ট্ৰিপত অৱৰোধ কৰি বিমান আৰু স্থল আক্ৰমণ আৰম্ভ কৰে৷ ফলত এতিয়ালৈকে প্ৰায় ২৯,০০০ ফিলিস্তিনি নিহত হয় আৰু ১.৪ নিযুতৰো অধিক লোক গৃহহাৰা হয়৷ বহু দেশে এয়া গণহত্যা বুলি অভিহিত কৰিছে। যুদ্ধত লিপ্ত ইজৰাইলত এতিয়া আগতীয়া নিৰ্বাচন আৰু প্ৰধানমন্ত্ৰী বেঞ্জামিন নেট্ৰানিয়াহুৰেৰ পদত্যাগ দাবী কৰা প্ৰতিবাদে দেশখনক জোকাৰি গৈছে৷ এই প্ৰতিবাদ প্ৰায় এবছৰ পূৰ্বৰ পৰাই আৰম্ভ হৈছিল যদিও যুদ্ধৰ সময়ত চৰকাৰ বিৰোধী প্ৰতিবাদ বহু পৰিমাণে হ্ৰাস পাইছিল। এই প্ৰতিবাদ শনিবাৰে নিশাৰে পৰা পুনৰ আৰম্ভ হৈছে৷ ৰাজপথলৈ ওলাই আহিছে হাজাৰ হাজাৰ লোক৷ ডেকা, বুঢ়া সকলোৱে এই প্ৰতিবাদত অংশ লোৱা দেখা গৈছে৷ জনতাৰ নতুন নিৰ্বাচনৰ আহ্বানক চৰকাৰে ২০২৬ চনলৈ নিৰ্ধাৰিত কৰা নাই। হাজাৰ হাজাৰ লোকে তেল আভিভত বৃহৎ সমদল উলিয়াই আৰক্ষীৰ নিষেধাজ্ঞা অমান্য কৰে৷ প্ৰতিবাদকাৰীসকলে কয় যে আমি চৰকাৰক ক'ব খোজো যে আপোনাৰ সময় এতিয়াও আছে৷ আপুনি ধ্বংস কৰিব পৰা সকলোখিনি ধ্বংস কৰিছে। এতিয়া সময় হৈছে, আপুনি কৰা সকলো বেয়া কামৰ সংশোধন কৰাৰ৷ নেট্ৰানিয়াহুৱে চৰকাৰী বাসভৱনৰ বাহিৰত জেৰুজালেমত প্ৰতিবাদে জংগী ৰূপ লৈছে৷ বাসভৱনৰ বাহিৰত প্ৰতিবাদকাৰীয়ে, হামাছে বন্দী কৰি ৰখা ১০০ তকৈও অধিক বন্দীক মুকলি কৰি আনিবলৈ সক্ষম নোহোৱাত তীব্ৰ ক্ষোভ ব্যক্ত কৰে৷ তেল আভিভৰ জিম্মি স্কোৱেৰত বিশাল লাউডস্পীকাৰত প্ৰতিবাদকাৰীয়ে চিঞৰি চিঞৰি কয় 'তেওঁলোকক মৰিবলৈ এৰি নিদিব! আমাৰ চকুত চাওক, ইজৰাইলী প্ৰতিনিধিসকলক কায়ৰো সন্মিলনলৈ পঠিয়াওক আৰু বন্দীসকলক ঘৰলৈ আনক৷ প্ৰতিবাদস্থলীত বন্দীসকলৰ পৰিয়ালৰো এটা বিবৃতি পাঠ কৰে৷ প্ৰতিবাদকাৰীসকলে আৰু কয় যে নেট্ৰানিয়াহুৱে গাজা সংঘৰ্ষ সমাপ্তিৰ বাবে ইজিপ্তৰ ৰাজধানী কায়ৰোলৈ এজনো প্ৰতিনিধি প্ৰেৰণ নকৰিলে। আমেৰিকা যুক্তৰাষ্ট্ৰ, কাটাৰ আৰু ইজিপ্তে যুদ্ধবিৰতি আৰু বন্দী মুক্তিৰ বাবে কেইবা সপ্তাহ অতিবাহিত কৰিলে৷ কাটাৰে শনিবাৰে কৈছিল যে আলোচনা আশা কৰা অনুসৰি আগবাঢ়ি থকা নাই। হামাছে কৈছে যে ইজৰাইলে যুদ্ধ সমাপ্ত নকৰাকৈ আৰু গাজাত অন্যায় অৱৰোধ উঠাই নোলোৱালৈকে বাকী থকা বন্দীক মুক্তি নিদিয়ে। ইজৰাইলে বন্দী কৰা শ শ ফিলিস্তিনিৰ মুক্তিৰ দাবীও জনাই হামাছে। উল্লেখ্য যে, নেট্ৰানিয়াহুৰ লিকুড দলৰ ভিতৰচ'ৰাত গাজা যুদ্ধ সমাপ্তিৰ পাছতে আগতীয়া নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দাবী উঠিছিল৷




**নগাঁৱত শৰ্মিষ্ঠা প্ৰীতমৰ ৰং উপন্যাসৰ ইংৰাজী সংস্কৰণৰ উন্মোচনী অনুষ্ঠানৰ এটি দৃশ্য, দেওবাৰে**

## ইণ্ডিজেনাছ ট্ৰাইবেল লিডাৰ্ছ ফ'ৰামৰ কঠোৰ সিদ্ধান্ত

# মণিপুৰৰ চৰকাৰী কৰ্মচাৰীক কামলৈ নাযাবলৈ ফৰমান জাৰি




**ইম্ফল, ১৭ ফেব্ৰুৱাৰীঃ** মণিপুৰৰ চৰকাৰী কৰ্মচাৰীসকলক কামত উপস্থিত নাথাকিবলৈ ফৰমান জাৰি কৰিছে জনজাতীয় সংগঠনে। চূড়াচান্দপুৰ জিলাৰ চৰকাৰী কৰ্মচাৰীসকলক কামলৈ নাযাবলৈ কঠোৰ ফৰমান জাৰি কৰিছে ইণ্ডিজেনাছ ট্ৰাইবেল লিডাৰ্ছ ফ'ৰাম চমুকৈ আইটিএলএফে। মণিপুৰৰ চূড়াচান্দপুৰ জিলাত ভাইৰেল হোৱা ভিডিঅ'ত অস্ত্ৰধাৰীৰ সৈতে প্ৰত্যক্ষ কৰা এজন হেড কনিষ্টবলক নিলম্বন কৰিছিল চৰকাৰে। তাৰ পাছৰে পৰা উত্তপ্ত হৈ পৰেচূড়াচান্দপুৰ জিলা। জনজাতীয় সংগঠনটোৱে হেড কনিষ্টবল ছিয়াম লালপলৰ নিলম্বন প্ৰত্যাহাৰৰ দাবীত এই ফৰমান জাৰি কৰিছে। আৰক্ষী অধীক্ষক শিৱানন্দ সুৰভে আৰু উপায়ুক্ত ধাৰুণ কুমাৰৰ তাৎক্ষণিক বদলিৰ দাবীও উত্থাপন কৰিছে। ১৫ ফেব্ৰুৱাৰীত হেড কনিষ্টবলজনক নিলম্বন কৰাৰ কেইঘণ্টামান পাছত আৰক্ষী অধীক্ষক আৰু উপায়ুক্তৰ কাৰ্যালয়ত জনতাই প্ৰৱেশ কৰা বাহন জ্বলাই দিয়া আৰু চৰকাৰী সম্পত্তি লণ্ডভণ্ড কৰিছিল। জনতাক ছত্ৰভংগ দিবলৈ নিৰাপত্তাৰক্ষীয়ে গুলীচালনা কৰাত কমেওতিনিজন লোক নিহত হোৱাৰ লগতে ৩০ জন লোক আহত হোৱাৰ খবৰ প্ৰকাশ পাইছিল। আইটিএলএফে হেড কনিষ্টবল ছিয়াম লালপলৰ নিলম্বনৰ আদেশ বাতিল কৰি আৰক্ষী অধীক্ষক আৰু উপায়ুক্তক বদলীৰ বাবে ২৪ ঘণ্টা সময় ধৰি দিছে। সংগঠনটোৱে কয় যে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে কাৰ্যালয়লৈ যোৱাৰ পৰা বিৰত থাকক। যদি কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত হয় তেন্তে কৰ্মচাৰীসকলেই দায়ী হ'ব। উল্লেখ্য যে, হেড কনিষ্টবল চিয়াম লালপলক হাতত অস্ত্ৰ লোৱা স্বেচ্ছাসেৱকৰ সৈতে একেলগে বহি থকা এটা ভিডিঅ' ছচিয়েল মিডিয়াত ভাইৰেল হোৱাৰ পাছতে তাৎক্ষণিক নিলম্বন কৰা হৈছে।

# অৰুণাচলত অস্ত্ৰ দেখুৱাই কয়লাখনিৰ ১০জনক অপহৰণ

**ইটানগৰ, ১৮ফেব্ৰুৱাৰীঃ** উত্তৰ পূৰ্বাঞ্চলত পুনৰ মূৰ দাঙি উঠিছে নেকি বিদ্ৰোহী গোটসমূহ! কিয়নো শেহতীয়াকৈ ম্যানমাৰ সীমান্তৱৰ্তী এলেকাত সংঘটিত হ'ব ধৰিছে বিভিন্ন কূটাঘাত। এইবাৰ অৰুণাচলৰ পৰা কয়লা খনিৰ মহৰীসহ ১০ জন লোকক অস্ত্ৰ দেখুৱাই অপহৰণ কৰাৰ অভিযোগ উত্থাপন হৈছে। অৰুণাচলৰ চাংলাঙৰ পৰা কয়লা খনিত কৰ্মৰত লোকক অপহৰণ কৰা বুলি জানিব পৰা গৈছে। জ্ঞান থাপা নামৰ মহৰীগৰাকীৰ লগতে মুঠ ১০ জন লোকক দেওবাৰে পুৱতি নিশা চাংলাং জিলাৰ ফিণভীৰুৰ মংগচাবস্তিৰ পৰা অস্ত্ৰধাৰীয়ে উঠাই নিয়া বুলি জানিব পৰা গৈছে। ৰঞ্জিৎ নামৰ কয়লা খনিৰ মালিকজন অধীনত কাম কৰি আছিল অপহৃত লোকসকল। আলফা স্বাধীন আৰু এনএছচিএন কেডাৰে অস্ত্ৰ দেখুৱাই অপহৰণ কৰাৰ সন্দেহ কৰা হৈছে। সন্দেহ কৰা মতে, কয়লাখনিৰ মালিকক ধন দাবী কৰিছিল আলফা স্বাধীন আৰু এনএছচিএনে। দাবী কৰা ধন আদায় নিদিয়াত অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত আলফা স্বাধীন আৰু এনএছচিএনৰ দলে অপহৰণ কৰাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে অসম আৰু অৰুণাচল আৰক্ষীয়ে যুটীয়া অভিযান চলাই মহৰীজনক উদ্ধাৰৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। অসমৰ তিনিচুকীয়া জিলাৰ আৰক্ষীয়ে যৌথ অভিযানত অংশ লোৱা বুলি জানিব পৰা গৈছে।

# কোকৰাঝাৰ সংসদীয় সমষ্টিত বিপিএফৰ জয় নিশ্চিতঃ পৃথ্বীৰাজ




**ই-সংবাদ, ১৮ ফেব্ৰুৱাৰী:** জনজাতিৰ বাবে সংৰক্ষিত কোকৰাঝাৰ সংসদীয় সমষ্টিত বিপিএফৰ জয় নিশ্চিত। এই দাবী কৰিছে এনডিএফবি আৰু চৰকাৰৰ মধ্যস্থতাকাৰী যুৱ নেতা পৃথ্বীৰাজ নাৰায়ন দেৱ মেচে। কোকৰাঝাৰ সংসদীয় সমষ্টিৰ বাবে বিপিএফে প্ৰকাশ কৰা সম্ভাব্য প্ৰাৰ্থীৰ তালিকাত নাম অন্তৰ্ভুক্ত হোৱাৰ পাছতে আজি সংবাদমেল যোগে এই দাবী কৰিছে পৃথ্বীৰাজ নাৰায়ন দেৱ মেচে। উল্লেখ্য যে, এদিন পূৰ্বে কোকৰাঝাৰ আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে বিপিএফে সম্ভাব্য প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছিল। কোকৰাঝাৰ সমষ্টিৰ বাবে বিপিএফৰ তালিকাত প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিটিচিৰ প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰী আৰু এনডিএফবি চৰকাৰৰ মধ্যস্থতাকাৰী পৃথ্বীৰাজ নাৰায়ন দেৱ মেচৰ নাম প্ৰাৰ্থী তালিকাত আছে। তালিকাত একালৰ প্ৰমোদ বড়োৰ ঘনিষ্ঠ পৃথ্বীৰাজ নাৰায়নদেৱ মেচৰ নাম থকাত বিটিচিৰ ৰাজনীতিত ব্যাপক চৰ্চা আৰম্ভ হৈছিল। তাৰ পাছতে কোকৰাঝাৰ সদৰৰ গৌৰাং ভেলী হোটেলত সংবাদমেল অনুষ্ঠিত কৰি বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীক কৃতজ্ঞতা জ্ঞাপন কৰি কোকৰাঝাৰ আসনত বিপিএফৰ প্ৰাৰ্থীয় জিকিব বুলি দাবী কৰে পৃথ্বীৰাজে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে টিকট নাপালে যে বিপিএফৰ বিৰোধিতা কৰিব সেয়া সমূলি নহয় বুলি কৈ বিপিএফত এনে পৰম্পৰা নাই বুলিও উল্লেখ কৰে মেচে। কম বয়স আৰু বিপিএফ দলত নতুন বুলি প্ৰশ্ন উঠাত পৃথ্বীৰাজ নাৰায়ন দেৱ মেচে অভিজ্ঞতা আৰু জ্ঞান বেলেগ বেলেগ বুলি উল্লেখ কৰি কয় যে মই নিজকে জ্ঞানী বুলি নাভাবো, কিন্তু আন্তৰিকতাৰে কাম কৰিব পাৰো। তৃতীয় বড়ো শান্তি চুক্তিৰ মই মধ্যস্থতাকাৰী আছিলো। নতুনকৈ গঠন হোৱা স্বায়ত্বশাসিত পৰিষদক চৰকাৰে গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰি কয় যে অসমত বহু চুক্তি কৰা হ'ল। আদিবাসী শান্তি চুক্তি হ'ল। কেন্দ্ৰীয় অৰ্থসাহায্যৰ প্ৰতিশ্ৰুতি কাৰ্যকাৰী হোৱা নাই। কমতাপুৰ স্বায়ত্বশাসিত পৰিষদ গঠন হ'ল, পুঁজি অনাত ব্যৰ্থ। বিটিআৰত জনসংখ্যা অনুপাতে পুঁজিৰ আৱণ্টন নাই। যুৱচাম বিভিন্ন সমস্যাত ভাৰাক্ৰান্ত। সকলোবোৰ সমস্যা সদনত বলিষ্ঠ কণ্ঠৰে তুলি ধৰিবলৈ মোৰ সপোন আছে। জীৱনত সকলোৱে আশাবাদী, মইও আশাবাদী। তেওঁ সপোন দেখে বুলি উল্লেখ কৰি কয় যে সকলোৱে ডাঙৰ সপোন পুহি ৰাখো। সেই সপোনেৰে যদি আগুৱাই যোৱা যায়, সপোন পূৰণ নহলেও ৰাইজ আৰু ঈশ্বৰৰ আশীৰ্বাদত সকলো নিৰ্ভৰ কৰে। টিকট নাপালেও বিৰোধীতা নকৰো বুলি কৈ পৃথ্বীৰাজ নাৰায়ন দেৱ মেচে সুস্থ গণতন্ত্ৰৰ পোষকতা কৰিছো। টিকট নাপালেও বিৰোধ নাই আৰু যদিহে অযোগ্য তেনেহলে অযোগ্যতাৰ পৰা যোগ্যতা লাভৰ বাবে চেষ্টা কৰিম কৰিম। ডেৰ বছৰ পূৰ্বে দলীয় সংঘাতৰ বাবে বিটিচিৰ শাসকীয় দল ইউপিপিএল দলৰ পৰা আতৰি আহিছিল পৃথ্বীৰাজ নাৰায়ন দেৱ মেচে। ১৪ ফেব্ৰুৱাৰীত হাগ্ৰামা মহিলাৰাকী সাক্ষাৎ কৰি টিকট দাবী কৰি আৰ্জি দিয়াৰ পাছতে পৃথ্বীৰাজ নাৰায়ন দেৱ মেচৰ নাম সম্ভাব্য প্ৰাৰ্থীৰ তালিকাত সন্নিৱিষ্ট হয়। পৃথ্বীৰাজ নাৰায়ন দেৱ মেচে যদি বিপিএফ টিকট লাভ কৰে তেন্তে ৰাজ্যৰ সৰ্বকনিষ্ঠ লোকসভাৰ প্ৰাৰ্থী হৈ ইতিহাস ৰচিব।

# মুখ্যমন্ত্ৰীৰ সমষ্টিত প্ৰকৃত হিতাধিকাৰীয়ে আঁচনি নোপোৱাৰ অভিযোগ



**ই-সংবাদ, শুৱালকুছি, ১৮ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনকলৈ তৎপৰ হৈছে শাসকীয় বিজেপি দল। গাঁৱৰ মহিলা, যুৱতী, কৃষক আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ কাষ চাপিবলৈ বিজেপিয়ে ধাৰ্য কৰিছে এটা সপ্তাহ৷ লোকসভা নিৰ্বাচনত গাঁৱৰ ভোটাৰক আকৰ্ষিত কৰিবলৈ বিজেপিয়ে ‘গাঁও চলো অভিযান’ চলাই আছে৷ ৩ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহি যোৱাৰ পাছতে অসম বিজেপিয় ‘গাঁও চলো অভিযান’ সক্ৰিয় কৰিছে৷ অসমৰ ২৮হাজাৰ বুথ সক্ৰিয় কৰিবলৈ বিজেপিয়ে ৫ ফেব্ৰুৱাৰীৰ পৰা সমগ্ৰ ৰাজ্যত গাওঁ চলো অভিযান চলাই গৈছে৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জালুকবাৰী সমষ্টিত বিজেপিৰ কাৰ্যকৰ্তাই প্ৰতিখন গাঁও পঞ্চায়তৰ বুথত অভিযান চলোৱা দেখা গৈছে৷ আজি মুখ্যমন্ত্ৰীৰ সমষ্টিৰ শুৱালকুছি মণ্ডলৰ অন্তৰ্গত গন্ধমৌ গাঁও পঞ্চায়তৰ বড়োচুবাত গাঁও চলো অভিযানৰ সৈতে সংগতি ৰাখি এখন সভা অনুষ্ঠিত হয়৷ সভাত বিজেপিৰ ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদক তথামুখ্যমন্ত্ৰীৰ ব্যক্তিগত সচিব ৰঞ্জিত ভট্টাচাৰ্য উপস্থিত থাকে৷ জনসম্পৰ্ক স্থাপন কৰাৰ লগতে দেৱাল লিখন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। চৰকাৰৰ বিভিন্ন অভিলাষী আচনিৰ বিষয়েও ৰাইজক অৱগত কৰে। একাংশ মহিলাই অসম চৰকাৰে প্ৰদান কৰা বিভিন্ন আঁচনিসমূহ প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰাৰ পৰা বঞ্চিত হোৱা বুলি মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সচিব তথা ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যক অভিযোগ দিয়ে৷ বিশেষকৈ দৰিদ্ৰসীমা ৰেখাৰ তলৰ লোকসকলে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ, ৰেচন কাৰ্ড, আয়ুস্মান কাৰ্ড, উজ্জ্বলা আঁচনিৰ জৰিয়তে বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ, অৰুণোদয় আঁচনি, মহিলা উদ্যমিতা আঁচনি প্ৰকৃত হিতাধিকাৰীয়ে নোপোৱা বুলি অভিযোগ উত্থাপন কৰে৷ ভট্টাচাৰ্যই বঞ্চিত হিতাধিকাৰীয়ে চৰকাৰী আঁচনি লাভ কৰিব বুলি আশ্বাস প্ৰদান কৰে৷ সভাত শুৱালকুছি বিজেপি মণ্ডলৰ সভাপতি ধীৰাজ মহন্ত, কিশোৰ মালাকাৰ, গোলক দাস, প্ৰাণজিৎ দাস, কৃষ্ণ বৈশ্য, নিত্যানন্দ নাথ, ৰাতুল মালাকাৰ, শুৱালকুছি যুৱ মৰ্চাৰ চুমন বড়ো, যতীন নাথৰ উপস্থিতিত ৰঞ্জিত ভট্টাচাৰ্যই বিভিন্ন চৰকাৰী আঁচনি সন্দৰ্ভত মত-বিনিময় কৰে৷

# প্ৰখ্যাত জৈন সন্ত আচাৰ্য বিদ্যাসাগৰ মহাৰাজৰ শেষ নিশ্বাস ত্যাগ

**ছত্তীশগড়, ১৮ফেব্ৰুৱাৰীঃ** ছত্তীশগড়ৰ ৰাজনন্দগাঁও জিলাৰ ডংগৰগড়ৰ চন্দ্ৰগীৰি তীৰ্থত 'ছালেখানা'ৰ পাছত দেওবাৰে প্ৰখ্যাত জৈন সন্ত আচাৰ্য বিদ্যাসাগৰ মহাৰাজে শেষ নিশ্বাস ত্যাগ কৰে। ছালেখানা হৈছে এক জৈন ধৰ্মীয় প্ৰথা য'ত আধ্যাত্মিক শুদ্ধিৰ বাবে স্বেচ্ছাই মৃত্যুৰ আগত উপবাস কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে আচাৰ্য শ্ৰী ১০৮ বিদ্যাসাগৰ মহাৰাজজীৰ মৃত্যুক দেশৰ বাবে এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে৷আচাৰ্য বিদ্যাসাগৰ মহাৰাজে পুৱা ২:৩৫ বজাত চন্দ্ৰগিৰি তীৰ্থত 'চালেখনা'ৰ জৰিয়তে সমাধি লাভ কৰিছে। আচাৰ্য বিদ্যাসাগৰ আচাৰ্য জ্ঞানসাগৰৰ শিষ্য আছিল। ।যেতিয়া আচাৰ্য জ্ঞানসাগৰে সমাধি গ্ৰহণ কৰিছিল, তেতিয়া তেওঁ তেওঁৰ আচাৰ্য পদমুনি বিদ্যাসাগৰক হস্তান্তৰ কৰিছিল। মুনি বিদ্যাসাগৰ ১৯৭২ চনৰ ২২ নৱেম্বৰত মাত্ৰ ২৬ বছৰ বয়সত আচাৰ্য হৈছিল

## শেষ পৃষ্ঠা

# ভাৰত চেম্পিয়ন

**ই সংবাদ, ১৮ফেব্ৰুৱাৰীঃ** বেডমিণ্টন এছিয়া টিম চেম্পিয়নশ্বিপত ভাৰতীয় মহিলা দলে ইতিহাস ৰচনা কৰি খিতাপ অৰ্জন কৰিছে। মহাদেশীয় প্ৰতিযোগিতাখনত পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় মহিলা সকলে এনে কৰিবলৈ সক্ষম হৈছে। ফাইনেলত ভাৰতে থাইলেণ্ডক ৩-২ গেমত পৰাজিত কৰে। ভাৰতৰহৈ পি ভি সিন্ধু আৰু আনমল খাৰ্বে ছিংগলছত জয়লাভ কৰাৰ লগতে গায়ত্ৰী গোপীচান্দ আৰু জলি ত্ৰিজাই ডব'লছত জয়ী হয়। ভাৰতীয় দলত অসম কন্যা অস্মিতা চলিহাও আছে। তেওঁ আজি নিজৰ মেছত জয়লাভ কৰাত ব্যৰ্থ হয়।

# সমাজবাদী পাৰ্টি ত্যাগ চেলিম ইকবাল শ্বেৰৱানীৰ

**ই সংবাদ, ১৮ফেব্ৰুৱাৰীঃ** প্ৰাক্তন সাংসদ চেলিম ইকবাল শ্বেৰৱানীয়ে সমাজবাদী পাৰ্টিৰ পৰা পদত্যাগ কৰিছে। সমাজবাদী পাৰ্টিৰ জ্যেষ্ঠ নেতা তথা ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক চেলিম ইকবাল শ্বেৰৱানীয়ে সভাপতি অখিলেশ যাদৱক পদত্যাগ কৰি পত্ৰ প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে স্বামী প্ৰসাদ মৌৰ্যই দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকৰ পদৰ পৰা পদত্যাগ কৰিছিল। উত্তৰ প্ৰদেশৰ প্ৰধান বিৰোধী দল সমাজবাদী পাৰ্টীয়ে ৰাজ্যসভাত মুছলমান প্ৰাৰ্থী নিদিয়াত দলটোৰ বহু মুছলমান নেতা নাৰাজ বুলি জানিব পৰা গৈছে। চেলিম শ্বেৰৱানীয়ে পদত্যাগ পত্ৰত কয় যে দলৰ সৈতে ক্ৰমান্বয়ে বাঢ়ি অহা দূৰত্বৰ বাবে এতিয়া এজন প্ৰকৃত নেতা বিচাৰি থকা হৈছে। মুছলমানসকলক উপেক্ষা কৰাৰ অভিযোগ উত্থাপন কৰি শ্বেৰৱানীয়ে কয় 'দলৰ মুছলমানসকলে অৱহেলিত অনুভৱ কৰি আছে আৰু দলৰ ওপৰত নিৰন্তৰ বিশ্বাস হেৰুৱাইছে। দলটোৰ সৈতে ক্ৰমান্বয়ে বাঢ়ি অহা দূৰত্বৰ বাবে, এতিয়া এজন প্ৰকৃত নেতা বিচাৰি থকা হৈছে।



চীনৰ লাওচিত অনুষ্ঠিত হোৱা হস্তী মহোৎসৱৰ এক দৃশ্য

# অভিলেখ ৰচি ৰাজকোটত ভাৰতৰ জয়

**ৰাজকোট, ১৮ ফেব্ৰুৱাৰীঃ** ইংলেণ্ডৰ বিৰুদ্ধে খেলা ৰাজকোট টেষ্টৰ চতুৰ্থ দিনা ভাৰতে ৪৩৪ ৰানৰ বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। নিজৰ দ্বিতীয় ইনিংছত জয়ৰ বাবে ৫৫৭ ৰানৰ লক্ষ্য আগতলৈ খেলা ইংলেণ্ড দলে ৩৯.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১২২ ৰান কৰিবলৈ সক্ষম হয়। ভাৰতৰ ৰবীন্দ্ৰ জাদেজাই ৪১ ৰানত পাঁচটা উইকেট দখল কৰে। কুলদীপ যাদবে লাভ কৰে দুটা উইকেট। ভ্ৰমণকাৰীক দলটোৰহৈ মাৰ্ক উডে সৰ্বাধিক ৩৩ ৰান কৰে। তেওঁৰ বাহিৰে বাকী সকলো বেটাৰ ব্যৰ্থ হয়। ইয়াৰ পূৰ্বে প্ৰথম ইনিংছত ১২৬ ৰানৰ অগ্ৰগতি লোৱা টিম ইণ্ডিয়াই কালিৰ দুই উইকেটত ১৯৬ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি ৯৮ অভাৰত চাৰি উইকেটত ৪৩০ ৰান কৰি ইনিংছ ঘোষণা কৰে। ভাৰতে সামগ্ৰিকভাৱে ৫৫৬ ৰানৰ অগ্ৰগতি লাভ কৰাৰ মুলত হ'ল যশস্বী জয়চোৱালৰ অপৰাজিত দ্বিশতক। তেওঁ ২১৪ ৰান কৰে। শুভমন গিলে ৯১ ৰান কৰাৰ বিপৰীতে চৰফৰাজ খানে অপৰাজিতভাৱে ৬৮ ৰানৰ বৰঙণি যোগায়। যশস্বীয়ে আজিৰ ইনিংছটোত ১২ অভাৰ বাউণ্ডেৰী মাৰে। ইয়াৰ জৰিয়তে তেওঁ এটা টেষ্ট ইনিংছত সৰ্বাধিক ছয় কোবোৱা ৱাছিম আক্ৰামৰ অভিলেখ স্পৰ্শ কৰে। আজিৰ জয়েৰে ভাৰতে পাঁচখন মেছৰ শৃংখলাটোত ২-১ ত অগ্ৰগতি লাভ কৰে। উল্লেখ্য যে টেষ্টত ৰাজকোটত ৪৩৪ ৰানত জয়লাভ কৰাটোৱেই ভাৰতৰ সৰ্বাধিক ৰানত জয়লাভ কৰাৰ অভিলেখ। ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ বিৰুদ্ধে ৩৭২ ৰানত জয়লাভ কৰাটোৱেই আছিল টিম ইণ্ডিয়াৰ অভিলেখ।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com